# সপ্তাহজুৰি আলোড়ন সৃষ্টি কৰা যুৱকৰ পৰিচয় ওলাল



# ৰহস্যময় ব্লগাৰ

সাময়িকী | জিতুমণি পাঠক

বাতৰি কাকত বা আলোচনী এখনত এগৰাকী নিয়মীয়া 'স্তম্ভ লেখক' হোৱাটো সহজ কথা নহয়। এগৰাকী প্ৰতিষ্ঠিত লেখকেহে এনে সুবিধাকণ লাভ কৰিবলৈ সক্ষম হয়। কিন্তু সাম্প্ৰতিক সময়ত ইণ্টাৰনেট জগতখনৰ ব্যাপক বিস্তৃতিয়ে সকলো লোকলৈ যেন এগৰাকী স্তম্ভ লেখক হোৱাৰ সুযোগ কঢ়িয়াই আনিছে। ভাব প্ৰকাশৰ স্বাধীনতাক পূৰ্ণমাত্ৰাই ব্যৱহাৰ কৰিবলৈ তেওঁলোকে সৃষ্টি কৰি লৈছে নিজা নিজাকৈ একোটা ব্লগ। আৰু এই ব্লগসমূহৰ জৰিয়তে ব্লগ সৃষ্টিকাৰী বা ব্লগাৰসকলে মনত হেন্দোলনি তোলা ভিন্ন বিষয়ক নিমিষতে তুলি ধৰিছে জগতবাসীৰ সন্মুখত। স্তম্ভ লিখনৰ তুলনাত ইয়াৰ আন এক সুবিধা হ'ল যে ইয়াত প্ৰকাশ কৰা ভিন্ন বিষয়সমূহে আনৰ মনত কেনে প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে সেয়াও তাৎক্ষণিকভাৱে জনাটো সম্ভৱ। সেয়েহে বিশ্বমানসত নিজৰ এক 'ইমেইজ' সৃষ্টি কৰাৰ তাড়নাত দ্ৰুতগতিত বৃদ্ধি পাইছে ব্লগাৰৰ সংখ্যা। এই গণনাবিহীন ব্লগাৰসকলে মাজে মাজে নিজৰ অদ্ভুত কাণ্ড-কাৰখানাৰে জনসাধাৰণক বিভ্ৰান্তও কৰা দেখা যায়। বহু ব্লগাৰৰ কাণ্ড-কাৰখানাই 'চাইবাৰ ক্ৰাইম'ৰ পৰ্যায়লৈ গুচি যায়। এনে ধৰণৰ অপৰাধী কাৰ্য শাৰীৰিক উপস্থিতি অবিহনেই সংঘটিত কৰা সম্ভৱ হৈ উঠে বাবে ব্লগাৰসকলক এনে ধৰণৰ অপৰাধী কাৰ্যত যথেষ্ট নিভীক হোৱা দেখা যায়। যোৱা এসপ্তাহ জুৰি চীনত এনে এগৰাকী ছদ্মনামৰ ব্লগাৰৰ ৰহস্যময় আচৰণে বিভ্ৰান্ত কৰি তুলিছিল সাধাৰণ জনতা, প্ৰশাসন তথা চৰকাৰক। অৱশ্যে বিতৰ্কই সীমা অতিক্ৰম কৰাৰ আগেয়ে সেই ৰহস্যময় ব্লগাৰগৰাকীয়ে নিজৰ গুপুত পৰিচয় বেকত কৰাৰ লগতে নিজৰ সন্দেহজনক কাম-কাজৰ খতিয়ান দিলে যদিও এতিয়াও সেই ব্যাখাই চৰকাৰ আৰু জনসাধাৰণক আশ্বস্ত কৰিছে বুলি ক'ব পৰা হোৱা নাই।

ঘটনাৰ সূত্ৰপাত হয় চীনৰ 'কমিউনিষ্ট পাৰ্টী'ৰ নতুন নেতা জি জিনপিঙক লৈ। আগন্তুক মাৰ্চ মাহত হ'বলগীয়া চীনৰ ৰাষ্ট্ৰপতি হিচাপে এইগৰাকী ব্যক্তিক লৈ যি জল্পনা-কল্পনা চলি আছে সেই সূত্ৰে তেওঁ বৰ্তমান সময়ত হৈ পৰিছে চীনৰ আটাইতকৈ চৰ্চিত ব্যক্তি। স্বাভাৱিকতে চীনৰ জনসাধাৰণৰ বাবেও তেওঁ হৈ পৰিছে বিশেষ আকৰ্ষণৰ কেন্দ্ৰবিন্দু। তেওঁক ব্যক্তিগতভাৱে জনাৰ, বুজাৰ বাবে সাধাৰণ জনতা উৎসুক হৈ থকাৰ মুহূৰ্ততে হঠাৎ ইণ্টাৰনেটত আৱিৰ্ভাৱ ঘটা এটা ব্লগত এই নেতাগৰাকীৰ ব্যক্তিগত জীৱনৰ কিছুমান মুহূৰ্তৰ ছবিয়ে মানুহক ব্লগটোৰ প্ৰতি আকৰ্ষিত কৰি তুলিলে। ব্লগটোত সন্নিৱিষ্ট জি জিনপিঙৰ ছবিসমূহ আছিল, যেনে— পাচলি বজাৰ কৰি থকা, গাড়ী পৰিষ্কাৰ কৰি থকা বা কোনো এটা ব্যক্তিগত ভ্ৰমণৰ অৱস্থাৰ। ছবিসমূহ যদিও কোনো দোষণীয় বক্তব্যৰে পূৰ্ণ নহয় তথাপি চীনৰ সংবাদ মাধ্যম, জনসাধাৰণ, প্ৰশাসনৰ বাবে ব্লগাৰগৰাকী হৈ পৰিছিল ৰহস্যময় ব্যক্তি। এই জনপ্ৰিয় নেতাগৰাকীৰ সুৰক্ষাৰ আৱেষ্টনী ইমানেই কটকটীয়া আছিল যে আনকি চীনৰ সংবাদ মাধ্যমেও তেওঁৰ ব্যক্তিগত জীৱনৰ এনে ছবি সংগ্ৰহ কৰিবলৈ সক্ষম হোৱা নাছিল। তেনে এক মুহূৰ্তত 'Fan Club of Learning from Xi' নামৰ ব্লগটোৰ ব্লগাৰগৰাকীয়ে ক'ৰ পৰানো এনে ছবিসমূহ সংগ্ৰহ কৰিলে সেয়া তেওঁলোকৰ বাবে আছিল এক আশ্চৰ্যকৰ বিষয়। তেনে এক প্ৰেক্ষাপটত মিডিয়াই এই ব্লগৰ আঁৰৰ ব্যক্তি হিচাপে জি জিনপিঙলৈও সন্দেহৰ আঙুলি টোৱাইছিল। কিয়নো ব্লগত প্ৰকাশিত ফটোসমূহত জি জিনপিঙক যিদৰে আন সাধাৰণ দহজন মানুহৰ দৰে এজন হিচাপে দেখুওৱা হৈছিল তাৰ দ্বাৰা তেওঁ সকলোৰে মাজত নিজৰ জনপ্ৰিয়তা বৃদ্ধি কৰাৰ প্ৰয়াস কৰা বুলি ধাৰণা কৰা হৈছিল। আনহাতে, ইয়াৰ বিপৰীতে জিনপিঙৰ ব্যক্তিগত সূত্ৰৰপৰা জনোৱা হৈছিল যে উক্ত ব্লগটোৰ সৈতে জিনপিঙৰ কোনো ধৰণৰ সম্পৰ্ক নাই। এনেধৰণৰ আক্ৰমণ-প্ৰত্যাক্ৰমণে ঘটনাক্ৰমক যেন জটিল ৰহস্যময়তাৰ ফালে ঠেলি দিছিল। যোৱা এটা সপ্তাহজুৰি এই ঘটনাক্ৰমে চীনৰ সংবাদপত্ৰত এক বিশেষ স্থান অধিকাৰ কৰি আহিছিল। আনকি চীনৰ প্ৰশাসনো শংকিত হৈ পৰিছিল ৰাষ্ট্ৰনেতাগৰাকীৰ সুৰক্ষাক লৈ। কিন্তু এই সকলোবোৰ বিতৰ্কৰ অৱসান ঘটাই যোৱা ৯ ফেব্ৰুৱাৰীৰ দিনাখন আত্মপ্ৰকাশ ঘটিল ব্লগাৰৰ। উন্মোচিত হ'ল ৰহস্যময় ব্লগাৰৰ প্ৰকৃত পৰিচয়।

'Fan Club of Learning from Xi' নামৰ এই ব্লগাৰটিত ব্লগাৰগৰাকী হ'ল চীনৰ লাখ লাখ যুৱকৰ দৰে তেনেই এক সাধাৰণ যুৱক। নাম ঝাং হংমিং। ঝাঙে সংবাদ মাধ্যমৰ আগত দিয়া বিবৃতিত সদৰী কৰে যে সংবাদ মাধ্যমে সৃষ্টি কৰা বিতৰ্কৰ পৰিৱৰ্তে তেওঁৰ উদ্দেশ্য আছিল একেবাৰে স্বচ্ছ আৰু নিকা। তেওঁ বৰ্তমান সময়ৰ কমিউনিষ্ট পাৰ্টীৰ নেতাগৰাকীৰ এগৰাকী গভীৰ অনুৰাগী। ইণ্টাৰনেটত তেওঁ যেতিয়া বিভিন্ন দেশৰ নেতাৰ প্ৰ'ফাইলসমূহ চাইছিল তেতিয়া তাত তেওঁলোকৰ বৃহৎসংখ্যক অনুগামীৰ সংখ্যা দেখি নিজৰ প্ৰিয় নেতাগৰাকীৰো এনে এক অনুগামীৰ দল তৈয়াৰ কৰাৰ ধাৰণা এটাৰ সৃষ্টি হৈছিল। এটা সহজ আৰু নিকা উদ্দেশ্য। এয়া আছিল ঝাঙৰ সম্পূৰ্ণ নিজা প্ৰচেষ্টা আৰু ইয়াৰ সৈতে আন কোনো ব্যক্তি বা দল জড়িত নাছিল। কিন্তু ঝাঙৰ এই বক্তব্য প্ৰেছৰ বাবে খুব এটা সন্তুষ্টিদায়ক নাছিল। কিয়নো কলেজ ড্ৰপ আউট, সৰু-সুৰা কামেৰে জীৱন নিৰ্বাহ কৰা এই সাধাৰণ যুৱকজনৰ হাতত জিনপিঙৰ ব্যক্তিগত মুহূৰ্তৰ সেই ছবিবোৰ আহিল ক'ৰপৰা! আৰু সমগ্ৰ ঘটনাক্ৰমক বিতৰ্কৰ মাজলৈ ঠেলি দিয়াৰ কাৰণো আছিল এই ছবিসমূহ। ৰাষ্ট্ৰনেতাগৰাকীৰ সৈতে খুবেই ব্যক্তিগত সান্নিধ্য নাথাকিলে এনেধৰণৰ ছবি লাভ কৰাটো সম্ভৱ নহয়। তদুপৰি তেওঁৰ যিকোনো কাৰ্যক্ৰমৰ ফটোসমূহ যি দ্ৰুততাৰে এই ব্লগত আপলোড হৈছিল তাকে দেখি চীনৰ চৰকাৰী সংবাদ মাধ্যমেও আপচোচ কৰি কয়, 'জিৰ ফেন ক্লাব আজি আমাতকৈও তেওঁৰ বেছি ওচৰৰ।' এয়া অৱশ্যেই এক সন্দেহজনক বিষয়। কিন্তু ইয়াৰ উত্তৰ হিচাপে ঝাঙে যি বক্তব্য আগবঢ়ালে সি সকলো আঁৰ কাপোৰ আঁতৰাই সকলো কথা স্পষ্ট তথা ফটফটীয়া কৰি তুলিলে। ঝাঙে যেতিয়া প্ৰাথমিকভাৱে এই ব্লগটো আৰম্ভ কৰিছিল, তেতিয়া তেওঁ কল্পনাও কৰা নাছিল যে ই গৈ এটা সময়ত এনে এক 'হাই প্ৰ'ফাইল' ব্লগলৈ পৰিণত হ'ব। কিন্তু ব্লগটোৰ আৰম্ভণিতে যেতিয়া ইয়াৰ অনুগামী হিচাপে জিন পিঙৰ সুন্দৰী পত্নী, জনপ্ৰিয় গায়িকা পেং লিউৱেনৰ বহুখিনি অনুগামীয়ে আহি তেওঁৰ ব্লগত ভিৰ কৰিলে তেতিয়াই তেওঁৰ ব্লগে এক আশাতীত উচ্চতা লাভ কৰিলে। ইয়াৰ লগে লগে বিভিন্ন ক্ষেত্ৰত বিভিন্ন লোক এই ব্লগৰ অনুগামী হ'বলৈ ধৰিলে আৰু এটা সময়ত ইয়াৰ সদস্য সংখ্যা হ'লগৈ ৭,০০,০০০। ইয়াৰে কিছু অনুগামী আছিল জিনপিঙৰ একেবাৰে নিকটৰ। এই আটাইবোৰে বিভিন্ন সময়ত বিভিন্ন পৰিৱেশত যিদৰে জিনপিঙৰ ফটোসমূহ ম'বাইল কেমেৰাৰে সংগ্ৰহ কৰিছিল সেইবোৰ তেওঁলৈ পঠিয়াই দিছিল আৰু ঝাঙে মাত্ৰ সেইবোৰ তেওঁৰ ব্লগত 'প'ষ্ট' কৰিছিল। চীনত যদিও ৰাষ্ট্ৰনেতাসকলৰ গতি-বিধিৰ ক্ষেত্ৰত খুব সতৰ্কতা অৱলম্বন কৰা হয়, তথাপি মাজে মাজে নিৰ্ধাৰিত সূচীৰ বিপৰীতে কিছুমান ঘটনা সংঘটিত হৈ যায় আৰু তেনেবোৰ



ঝাঙে যেতিয়া প্ৰাথমিকভাৱে এই ব্লগটো আৰম্ভ কৰিছিল, তেতিয়া তেওঁ কল্পনাও কৰা নাছিল যে ই গৈ এটা সময়ত এনে এক 'হাই প্ৰ'ফাইল' ব্লগলৈ পৰিণত হ'ব। কিন্তু ব্লগটোৰ আৰম্ভণিতে যেতিয়া ইয়াৰ অনুগামী হিচাপে জিন পিঙৰ সুন্দৰী পত্নী, জনপ্ৰিয় গায়িকা পেং লিউৱেনৰ বহুখিনি অনুগামীয়ে আহি তেওঁৰ ব্লগত ভিৰ কৰিলে তেতিয়াই তেওঁৰ ব্লগে এক আশাতীত উচ্চতা লাভ কৰিলে।

মুহূৰ্ততে তেওঁৰ অনুগামীসকলে তেওঁলোকৰ স্মাৰ্ট ফোন আদিৰ জৰিয়তে তুলিছিল এই ফটোবোৰ।

ঝাঙৰ আত্মপ্ৰকাশে এসপ্তাহ জুৰি চীনত চলি থকা এক বিতৰ্কৰ অৱসান ঘটালে। লগতে এই সমগ্ৰ কাণ্ডৰ আঁৰত 'জি টীম'ৰ এক প্ৰৰোচনামূলক উদ্দেশ্য আছিল বুলি জিনপিঙৰ ওপৰত মিডিয়া বা বিৰোধী শক্তিয়ে যি অপবাদ দিব বিচাৰিছিল সেই দোষৰ পৰাও তেওঁ মুক্ত হ'ল। এই সমগ্ৰ কাণ্ডৰ আঁৰত জিনপিঙৰ কোনো প্ৰত্যক্ষ হাত নাই বুলি চীনৰ জনসাধাৰণ প্ৰতীয়মান হৈছে। অৱশ্যে ইয়াৰপৰা জিনপিং লাভাৱান্বিতও হৈছে। চীনৰ জনসাধাৰণৰ বক্তব্য যে আমাৰ বাবে দেশৰ নেতাগৰাকী আমাৰ অচিনাকি ৰহস্যময় ব্যক্তি। আমি সদায়ে তেওঁক ওচৰৰপৰা চাব বিচাৰো বা জানিব বিচাৰো। কিন্তু বাস্তৱত সেয়া সম্ভৱ নহয়। ঝাঙৰ ব্লগ 'Fan Club of Learning from Xi'য়ে যেন সেই অসম্ভৱক সম্ভৱ কৰি তুলিলে। তাৰ ফলত জিনপিং আজি সৰ্বসাধাৰণৰ মাজৰ এগৰাকী মানুহ হৈ পৰিছে। জিনপিঙৰ বাবে যেন এয়া এক অভাৱনীয় সৌভাগ্য। সেই সূত্ৰে তেওঁ অৱশ্যেই কৃতজ্ঞ হৈ পৰিব ঝাঙৰ প্ৰতি। কিন্তু একে সময়তে চীন ইণ্টাৰনেট চেন্সৰ সম্পৰ্কীয় আইনত বিশ্বৰ ভিতৰতে কঠোৰ বুলি পৰিচিত। সেই হেতুকে ঝাঙৰ সন্দেহজনক তথা বিতৰ্কমূলক কাম-কাজ যে আইনৰ গভীৰ মেৰপেছত পৰিব সেয়া নিশ্চিত। এনে এক সন্ধিক্ষণত জিনপি ঝাঙৰ প্ৰতি কেনেধৰণৰ আইনী ব্যৱস্থা গ্ৰহণ কৰে, সেয়া লক্ষণীয় হ'ব।



